**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-04-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

ৰাজ্যত অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হ'ব। মনোনয়ন দাখিলৰ অন্তিম দিনটোত কালি প্ৰাৰ্থীসকলে সমৰ্থকসহ শোভাযাত্ৰা কৰি মনোনয়ন দাখিল কৰে। মুঠ ৩৯৭ খন জিলা পৰিষদৰ আসনৰ ভিতৰত বিজেপিয়ে ৩২৩ খনত আৰু অগপই ৭৪ খন আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

ৰাজ্য চৰকাৰে নিৰ্বাচন হ'বলগীয়া দিনকেইটাত স্থানীয় বন্ধৰ দিন ঘোষণা কৰিছে। এই সন্দৰ্ভত জাৰি কৰা অধিসূচনা অনুসৰি ২ মে'ত ৰাজ্যৰ ১৪ খন জিলা আৰু ৭ মে'ত ১৩ খন জিলাত স্থানীয় বন্ধ থাকিব। প্ৰথম পৰ্যায়ত অৰ্থাৎ ২ মে'ত নিৰ্বাচন হ'বলগীয়া জিলাকেইখন হৈছে – তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি। সেইদৰে দ্বিতীয় পৰ্যায়ত ৭ মে'ত নিৰ্বাচন হ'বলগীয়া জিলাকেইখন হৈছে- ধুবুৰী, দক্ষিণ শালমাৰা, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, কামৰূপ, কামৰূপ মহানগৰ, হোজাই, মৰিগাঁও, নগাঁও আৰু দৰং জিলা।

০০০০০০

অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীৰ এটা দলে বন্যপ্ৰাণী সৰবৰাহৰ বিৰুদ্ধে চলোৱা এটা অভিযানত কালি ডিব্ৰুগড়ৰ লাহোৱালৰ পৰা কেঁকো সাপ হিচাপে পৰিচিত ১১টা বিৰল প্ৰজাতিৰ টোকাই গেকোঁ জব্দ কৰে। এই বিৰল প্ৰজাতিৰ সৰীসৃপকেইটা বিক্ৰীৰ চেষ্টা চলোৱাৰ অভিযোগত আৰক্ষীয়ে ৩ জন লোকক আটক কৰে। লোককেইজনে ত্ৰিপুৰাৰ এজন গ্ৰাহকক সৰীসৃপকেইটা বিক্ৰীৰ যো-জা কৰাৰ সময়তে আৰক্ষীয়ে তেওঁলোকক আটক কৰে। কেঁকো সাপ বা টোকাই গেকোঁ ভাৰতৰ বন্যপ্ৰাণী সুৰক্ষা আইন ১৯৭২ অধীনত সংৰক্ষিত প্ৰজাতি হিচাপে চিনাক্ত কৰা হৈছে।

০০০০০০০

শ্ৰীভূমি জিলাৰ বিদ্যালয় পৰিদৰ্শকে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৩০ শতাংশতকৈ কম নম্বৰ পোৱা ৪২খন বিদ্যালয়লৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। এই বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৪৭ দশমিক ৯-৬ শতাংশ উত্তীৰ্ণৰ হাৰেৰে শ্ৰীভূমি জিলা তালিকাৰ শেষত আছে। বিদ্যালয় পৰিদৰ্শকে এই সমগ্ৰ বিষয়টো অতি চিন্তাজনক বুলি উল্লেখ কৰি এই বিদ্যালয়সমূহত প্ৰদান কৰা শিক্ষাৰ গুণগত মান সন্দৰ্ভতো প্ৰশ্ন উত্থাপন কৰে।

০০০০০০০

বি টি আৰ চৰকাৰৰ পৰ্যটন বিভাগৰ উদ্যোগত আৰু ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সহযোগত কোকৰাঝাৰৰ হৰিণাগুৰি পাহাৰৰ সমীপত আজিৰে পৰা তিনিদিনীয়াকৈ দ্বাদশ বাওখুংগ্ৰী উৎসৱৰ আয়োজন কৰা হৈছে। আজি প্ৰথম দিনা মহিলা আৰু পুৰুষ শাখাৰ চাইকেল চলোৱা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে উৎসৱৰ মূল তোৰণৰ দ্বাৰ মুকলি কৰে। এই উৎসৱৰ সৈতে

সংগতি ৰাখি ট্ৰেকিং, বড়ো জনগোষ্ঠীৰ কেইবাবিধো থলুৱা খেলকে ধৰি বৈশাগু নৃত্য, বৈশাগু খুংগ্ৰী নৃত্য আৰু পৰম্পৰাগত ৰন্ধন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০০০০০০

উত্তৰ-পূব আঞ্চলিক কৃষি বিপণন নিগম আৰু ৰঙিয়া সমজিলাৰ অন্তৰ্গত কনিহাত থকা উত্তৰণ কৃষি উৎপাদক কোম্পানীৰ উদ্যোগত কালি অঞ্চলটোত এটা বয়ন আৰু হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰা হয়। গ্ৰামাঞ্চলৰ মহিলাসকলক দক্ষতা বৃদ্ধিৰে স্বনিৰ্ভৰশীল কৰি তোলাৰ লক্ষ্যৰে স্থাপন কৰা এই প্ৰশিক্ষণ কেন্দ্ৰটো কামৰূপৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড০ সোণমণি ভূঞাই উদ্বোধন কৰে। অনুষ্ঠানত প্ৰশিক্ষক ববিতা কলিতা আৰু ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ বিষয়া গায়ত্ৰী বৰুৱা উপস্থিত থাকে।

০০০০০০০০০

আবৃত্তি এটা পৰিৱেশ্য কলা হ'ব পাৰেনে? সংগীত নাটক একাডেমীয়ে অসমীয়া ভাষাৰ আবৃত্তিক পৰিৱেশ্য কলাৰ স্বীকৃতি দিয়াৰ ক্ষেত্ৰত উদ্ভৱ হোৱা বিভিন্ন বিষয়ক আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আবৃত্তিৰ সৈতে জড়িত কেইবাগৰাকীও ব্যক্তিয়ে মতামত আগবঢ়াব।

আকাশবাণীৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত অসমৰ বিভিন্ন জনগোষ্ঠীৰ পৰম্পৰাগত ৰঙালী বিহু পালনৰ বিষয়ে এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই দুয়োটা অনুষ্ঠানৰ প্ৰযোজনা আৰু পৰিচালনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০০০

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম আৰু ৫ বছৰীয়া সংযুক্ত স্নাতকোত্তৰ পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে ৰাজ্য চৰকাৰৰ উচ্চ শিক্ষা বিভাগে **সমৰ্থ প'ৰ্টেল** মুকলি কৰিছে। ইচ্ছুক শিক্ষাৰ্থীসকলে নাম ভৰ্তিৰ বাবে এই প'ৰ্টেলৰ জৰিয়তে পঞ্জীয়ন কৰিব পাৰিব। প'ৰ্টেলটোত ছাত্ৰ-ছাত্ৰীয়ে দ্বাদশ শ্ৰেণীৰ ফলাফল ঘোষণাৰ পাছতে শিক্ষানুষ্ঠান তথা পাঠ্যক্ৰমসমূহ বাচনি কৰিব পাৰিব। শিক্ষানুষ্ঠানসমূহে অহা ৫ মে'ৰ ভিতৰত প্ৰছপেক্টাছসমূহ প'ৰ্টেলত আপলোড কৰিব লাগিব। প'ৰ্টেলত আবেদন জনাবলৈ ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী অনুমোদিত নথিহে ব্যৱহাৰ কৰিব পাৰিব।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। আজি হ'বলগীয়া আন এখন খেলত পাঞ্জাব কিংছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০০০

সমাপ্ত